**2 0 1 5**

ASSAMESE

( Major )

Paper : 5.5

**( Sahitya Samalochana )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) 'ৰসগঙ্গাধৰ' গ্ৰন্থখনৰ ৰচক কোন?

(খ) 'ধ্ৰুৱবাদ' শব্দটোৰ মূল ইংৰাজী শব্দটো কি?

(গ) এৰিষ্ট'টলৰ কাব্যতত্ত্ব সম্পৰ্কীয় গ্ৰন্থখনৰ নাম লিখা।

(ঘ) 'ছন্দোবদ্ধ ৰচনাই কবিতা' কবিতাৰ এই সংজ্ঞাটো কোনে আগবঢ়াইছিল?

(ঙ) ইংৰাজী 'নভেল' (Novel) শব্দটো মূল কি শব্দৰ পৰা উৎপত্তি হৈছে?

(চ) প্ৰথম অসমীয়া ৰমণ্যাসিক (Romantic) কবিতাটোৰ নাম লিখা।

(ছ) চুটিগল্পৰ জন্ম প্ৰথমে কোন শতিকাত হৈছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) 'ৰসসূত্ৰ'টো প্ৰথমে কোনে আৰু কি গ্ৰন্থত উল্লেখ কৰিছিল, লিখা।

(খ) 'বিভাৱ' কেইবিধ আৰু কি কি?

(গ) 'লিৰিকেল বেলাডছ্' নামৰ কাব্য-সংকলনখনিৰ সংকলক দুগৰাকীৰ নাম লিখা।

(ঘ) প্ৰতীকবাদৰ জন্ম ক'ত আৰু কোন শতিকাত হৈছিল?

৩। (ক) "ৱিভাৱানুভাৱব্যভিচাৰিসংয়োগাদ্ ৰসনিষ্পত্তিঃ" ভৰত মুনিৰ এই ৰসসূত্ৰটো পৰৱৰ্তীকালৰ ৰসবাদী আলঙ্কাৰিক-সকলে কিদৰে ব্যাখ্যা কৰিছে, বুজাই লিখা। ১০

*অথবা*

(খ) স্থায়ীভাৱ কি আৰু ই কেইবিধ? এই স্থায়ী ভাৱবোৰ কিদৰে ৰসৰূপে প্ৰকাশিত হয়, আলোচনা কৰি দেখুওৱা। ১০

৪। (ক) 'ৰমণ্যাসবাদ' (Romanticism) বুলিলে কি বুজা? ৰমণ্যাসিক (Romantic) কবিতাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) আধুনিকতাবাদ কি? আধুনিকতাবাদৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা। ১০

৫। (ক) নাটকৰ উপাদানবোৰৰ বিষয়ে এটি আলোচনা দাঙি ধৰা। ১০

*অথবা*

(খ) উপন্যাসৰ লগত চুটিগল্পৰ কি কি প্ৰভেদ আছে, বিচাৰ কৰি দেখুওৱা। ১০

৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

ধ্ৰুৱবাদ ; সঞ্চাৰীভাৱ ; ট্ৰেজেডি ; ব্যক্তিনিষ্ঠ কবিতা ; প্ৰহসন ; অভিব্যক্তিবাদ।

★★★